# 3 (Sem–6/CBCS) EDU RE 1/2/3/4

## 2024

## EDUCATION

## ( Regular Elective )

Paper : EDU–RE–6016/6026/6036/6046

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

Answer from *either* Option—A *or* Option—B *or* Option—C or Option—D

*Answer* either *in English* or *in Assamese*

## OPTION—A

Paper : EDU–RE–6016

### ( Mental Health and Hygiene )

**1.** Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নিৰ্দেশানুযায়ী উত্তৰ দিয়া :

*(a)* World Mental Health Day is observed on ______.

( Fill in the blank )

______ তাৰিখে বিশ্ব মানসিক স্বাস্থ্য দিৱস পালন কৰা হয়।

( খালী ঠাই পূৰ কৰা )

(b) Physical exercise can boost up mental health of an individual.

( Write True or False )

শাৰীৰিক ব্যায়ামে ব্যক্তি এজনৰ মানসিক স্বাস্থ্যৰ উন্নতি সাধিব পাৰে।

( সঁচা নে মিছা লিখা )

(c) Seeking professional help for mental health is a sign of weakness.

( Write True or False )

মানসিক স্বাস্থ্যৰ বাবে বিশেষজ্ঞৰ সহায় বিচৰা কাৰ্য দুৰ্বলতাৰ পৰিচায়ক।

( সঁচা নে মিছা লিখা )

(d) Who was the founder of psycho-analysis?
মনোবিশ্লেষণৰ প্ৰতিষ্ঠাপক কোন আছিল?

(e) Mention any one school-related factor that affects mental health of students.
শিক্ষাৰ্থীসকলৰ মানসিক স্বাস্থ্যক প্ৰভাৱিত কৰা বিদ্যালয়ৰ পৰিবেশৰ লগত জড়িত যি কোনো এটা কাৰক উল্লেখ কৰা।

(f) Mention any one threat to teachers' mental health.
শিক্ষকৰ মানসিক স্বাস্থ্যৰ প্ৰতি এটা ভাবুকি উল্লেখ কৰা।

(g) Suggest any one measure to improve our mental health.
আমাৰ মানসিক স্বাস্থ্যৰ উন্নতি সাধনৰ বাবে এটি পৰামৰ্শ আগবঢ়োৱা।

*(h)* Who is called the father of positive psychology?

ইতিবাচক মনোবিজ্ঞানৰ পিতৃপুৰুষ বুলি কাক জনা যায়?

*(i)* Mention any one symptom of stress.

মানসিক চাপৰ এটা লক্ষণ উল্লেখ কৰা।

*(j)* When was the Mental Healthcare Act passed?

মানসিক স্বাস্থ্যৰ যতন আইন (MHCA)খন কেতিয়া গৃহীত হৈছিল?

**2.** Give short answers to the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া :

*(a)* What is meant by mental health?

মানসিক স্বাস্থ্য বুলিলে কি বুজা?

*(b)* Write any two goals of mental hygiene.

মানসিক স্বাস্থ্যবিজ্ঞানৰ যি কোনো দুটা লক্ষ্য লিখা।

*(c)* What is the relation between mental health and mental hygiene?

মানসিক স্বাস্থ্য আৰু মানসিক স্বাস্থ্যবিজ্ঞানৰ মাজৰ সম্পৰ্ক কি?

*(d)* What is Pranayama?

প্ৰাণায়াম কি?

*(e)* Define positive psychology.

ইতিবাচক মনোবিজ্ঞানৰ সংজ্ঞা দিয়া।

**3.** Answer any *four* from the following questions : 5×4=20

তলৰ প্ৰশ্নসমূহৰ পৰা যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

*(a)* Write about the different dimensions of mental health.

মানসিক স্বাস্থ্যৰ বিভিন্ন দিশসমূহৰ বিষয়ে লিখা।

*(b)* Write any five characteristics of a mentally healthy individual.

মানসিকভাৱে স্বাস্থ্যৱান ব্যক্তি এজনৰ যি কোনো পাঁচটা বৈশিষ্ট্য লিখা।

*(c)* Discuss the role of home in building sound mental health of children.

শিশুৰ সুস্থ মানসিক স্বাস্থ্যৰ বিকাশৰ ক্ষেত্ৰত গৃহ বা পৰিয়ালৰ ভূমিকা আলোচনা কৰা।

*(d)* How can positive psychology help in building sound mental health?

ইতিবাচক মনোবিজ্ঞানে কিদৰে মানসিক স্বাস্থ্যৰ সুস্থতা গঢ় দি তুলিব পাৰে?

*(e)* Discuss the contribution of World Health Organization in the field of mental health.

মানসিক স্বাস্থ্যৰ ক্ষেত্ৰত বিশ্ব স্বাস্থ্য সংস্থা (WHO)ৰ বৰঙণি আলোচনা কৰা।

*(f)* Write the role of meditation in promoting mental health.

মানসিক স্বাস্থ্যৰ উন্নয়নত ধ্যানৰ ভূমিকাৰ বিষয়ে লিখা।

4. Write an essay on the history of development of mental hygiene. 10

মানসিক স্বাস্থ্যবিজ্ঞানৰ বিকাশৰ ইতিহাসৰ বিষয়ে এখনি ৰচনা লিখা।

*Or / অথবা*

Explain the need and importance of mental hygiene. 10

মানসিক স্বাস্থ্যবিজ্ঞানৰ প্ৰয়োজন আৰু গুৰুত্ব ব্যাখ্যা কৰা।

5. Write the principles of sound mental health. 10

সুস্থ মানসিক স্বাস্থ্যৰ নীতিসমূহ লিখা।

*Or / অথবা*

Discuss the factors that affect mental health. 10

মানসিক স্বাস্থ্যক প্ৰভাৱিত কৰা কাৰকসমূহ আলোচনা কৰা।

6. What is stress management? Write about some factors leading to stress in the modern world. 2+8=10

মানসিক চাপৰ ব্যৱস্থাপনা কি? আধুনিক জগতত মানসিক চাপ সৃষ্টি কৰা কেতবোৰ কাৰকৰ বিষয়ে লিখা।

*Or / অথবা*

What is examination anxiety? How can a teacher help students to develop sound mental health? 2+8=10

পৰীক্ষা-উদ্বিগ্নতা কি? শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলৰ সুস্থ মানসিক স্বাস্থ্যৰ বিকাশত কিদৰে সহায় কৰিব পাৰে?

**7.** Discuss the role of Yoga for preserving mental health and management of stress. 5+5=10

মানসিক স্বাস্থ্যৰ সংৰক্ষণ আৰু মানসিক চাপৰ ব্যৱস্থাপনাৰ ক্ষেত্ৰত যোগৰ ভূমিকা আলোচনা কৰা ।

*Or / অথবা*

Discuss the main provisions of the Mental Healthcare Act of India. 10

ভাৰতৰ মানসিক স্বাস্থ্যৰ যতন আইন (MHCA)খনৰ প্ৰধান বিধানসমূহ আলোচনা কৰা ।

## OPTION—B

### Paper : EDU–RE–6026

### ( Special Education )

**1.** Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নিৰ্দেশানুযায়ী উত্তৰ দিয়া :

*(a)* Write the full form of 'CWSN'.

'CWSN'ৰ সম্পূৰ্ণ ৰূপটো লিখা।

*(b)* Who wrote the book, *The Education of the Deaf*?

*The Education of the Deaf* নামৰ গ্ৰন্থখন কোনে লিখিছিল?

*(c)* Mention any one cause of visual impairment.

দৃষ্টি বাধাগ্ৰস্ততাৰ যি কোনো এটা কাৰণ উল্লেখ কৰা।

*(d)* Write any one educational provision for the hearing impaired children.

শ্ৰৱণ বাধাগ্ৰস্ত শিশুৰ বাবে থকা যি কোনো এটা শৈক্ষিক ব্যৱস্থাৰ নাম লিখা।

*(e)* Who are gifted children?

প্ৰতিভাশালী শিশু কোনবোৰ?

*(f)* The IQ of morons are from _____ to _____.
( Fill in the blanks )

মূঢ়ধী শিশুৰ বুদ্ধ্যংক _____ৰ পৰা _____ৰ ভিতৰত থাকে।

( খালী ঠাই পূৰ কৰা )

*(g)* Who first used the word 'learning disability'?

'শিকন অক্ষমতা' শব্দটো কোনে প্ৰথমতে ব্যৱহাৰ কৰিছিল?

*(h)* Mention any one cause of learning disability.

শিকন অক্ষমতাৰ যি কোনো এটা কাৰণ উল্লেখ কৰা।

*(i)* What is the full form of IDEA?

IDEAৰ সম্পূৰ্ণ ৰূপটো কি?

*(j)* Cerebral palsy disorder is caused by

মগজুৰ পক্ষাঘাতৰ কাৰণ হৈছে

*(i)* spinal cord injury/ৰাজহাড়ৰ আঘাত

*(ii)* brain injury/মগজুৰ আঘাত

*(iii)* epilepsy/মৃগী ৰোগ

*(iv)* anaemia/ৰক্তহীনতা

( Choose the correct option )

(শুদ্ধ উত্তৰটো বাছি উলিওৱা )

**2.** Answer the following questions in brief : 2×5=10

তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া :

(a) Write two characteristics of special education.

বিশেষ শিক্ষাৰ দুটা বৈশিষ্ট্য লিখা।

(b) Mention any two problems of orthopaedically handicapped children.

অস্থিগত বাধাগ্ৰস্ত শিশুসকলৰ যি কোনো দুটা সমস্যা উল্লেখ কৰা।

(c) Write any two characteristics of gifted children.

প্ৰতিভাশালী শিশুৰ যি কোনো দুটা বৈশিষ্ট্য লিখা।

(d) Write any two characteristics of backward child.

অনগ্ৰসৰ শিশুৰ যি কোনো দুটা বৈশিষ্ট্য লিখা।

(e) Write two objectives of the Rehabilitation Council of India Act, 1992.

ভাৰতৰ পুনৰ সংস্থাপন পৰিষদ আইন, ১৯৯২ৰ দুটা উদ্দেশ্য লিখা।

**3.** Answer any *four* from the following questions : 5×4=20

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Write a note on inclusive education.

অন্তৰ্ভুক্তিকৃত শিক্ষাৰ বিষয়ে এটি টোকা লিখা।

(b) Discuss the problems of hearing impaired children.

শ্ৰৱণ বাধাগ্ৰস্ত শিশুৰ সমস্যাসমূহ আলোচনা কৰা।

(c) Discuss the causes of mental retardation.

মানসিক বাধাগ্ৰস্ততাৰ কাৰণসমূহ আলোচনা কৰা।

(d) Discuss the recommendations given by the National Policy for Persons with Disabilities, 2006.

বাধাগ্ৰস্ত ব্যক্তিৰ বাবে ৰাষ্ট্ৰীয় নীতি, ২০০৬ য়ে আগবঢ়োৱা পৰামৰ্শসমূহ আলোচনা কৰা।

(e) Explain the need and importance of community-based rehabilitation.

সম্প্ৰদায়ভিত্তিক পুনৰ সংস্থাপনৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বৰ বিষয়ে ব্যাখ্যা কৰা।

(f) Write a note on the central scheme of Integrated Education for Disabled Children (IEDC).

কেন্দ্ৰীয় পৃষ্ঠপোষকতাত বাধাগ্ৰস্ত শিশুৰ বাবে সংহত শিক্ষা আঁচনিৰ বিষয়ে এটা টোকা লিখা।

4. What is special education? Discuss the objectives and importance of special education. 2+8=10

বিশেষ শিক্ষা কি? বিশেষ শিক্ষাৰ উদ্দেশ্য আৰু গুৰুত্ব সম্পৰ্কে আলোচনা কৰা।

*Or / অথবা*

Define 'special education'. Discuss the challenges of special education. 10

'বিশেষ শিক্ষা'ৰ সংজ্ঞা দিয়া। বিশেষ শিক্ষাৰ প্ৰত্যাহ্বানসমূহ আলোচনা কৰা।

**5.** Explain the concept of visually impaired. Discuss the problems and causes of visual impairment. 2+8=10

দৃষ্টি বাধাগ্ৰস্ততাৰ ধাৰণা ব্যাখ্যা কৰা। দৃষ্টি বাধাগ্ৰস্ততাৰ সমস্যা আৰু কাৰণসমূহ আলোচনা কৰা।

*Or / অথবা*

Discuss the development of special education in India. 10

ভাৰতবৰ্ষত বিশেষ শিক্ষাৰ বিকাশৰ বিষয়ে আলোচনা কৰা।

**6.** How to identify the gifted children? Discuss the role of the teacher in education of gifted children. 2+8=10

প্ৰতিভাশালী শিশুক কেনেদৰে চিনাক্তকৰণ কৰিব পাৰি? প্ৰতিভাশালী শিশুৰ শিক্ষাৰ ক্ষেত্ৰত শিক্ষকৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

*Or / অথবা*

Who are mentally retarded children? Write about the responsibility of parents towards the education of mentally retarded child. 10

মানসিকভাৱে বাধাগ্ৰস্ত শিশু কোনবোৰ? মানসিকভাৱে বাধাগ্ৰস্ত শিশুৰ শিক্ষাত মাক-দেউতাকৰ দায়িত্বৰ বিষয়ে আলোচনা কৰা।

**7.** How to identify children with learning disability? Discuss the role of the teacher for the education of these children. 2+8=10

শিকন অক্ষম শিশুসকলক কেনেকৈ চিনাক্ত কৰিব পাৰি? এইসকল শিশুৰ শিক্ষাত শিক্ষকৰ ভূমিকা আলোচনা কৰা।

*Or / অথবা*

Write an essay on the Persons with Disabilities (PWD) Act, 1995. 10

বাধাগ্ৰস্ত ব্যক্তিৰ আইন, ১৯৯৫ ৰ বিষয়ে এখনি ৰচনা লিখা।

OPTION—C

Paper : EDU–RE–6036

**( Educational Management )**

1. Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নিৰ্দেশানুযায়ী উত্তৰ দিয়া :

*(a)* Define educational management.

শৈক্ষিক ব্যৱস্থাপনাৰ সংজ্ঞা লিখা।

*(b)* Name one type of school record.

যি কোনো এটা বিদ্যালয় নথি-পত্ৰৰ প্ৰকাৰৰ নাম লিখা।

*(c)* Mention any one material resource of an educational institution.

এখন শিক্ষানুষ্ঠানৰ যি কোনো এটা বৈষয়িক সম্পদ উল্লেখ কৰা।

*(d)* Mention one objective of educational management.

শৈক্ষিক ব্যৱস্থাপনাৰ এটা উদ্দেশ্য উল্লেখ কৰা।

*(e)* In which year was SCERT, Assam formed?

SCERT, Assam কোন চনত গঠন কৰা হৈছিল?

*(f)* What is institutional planning?

প্ৰাতিষ্ঠানিক পৰিকল্পনা কি?

(g) Mention one source of educational finance.

শৈক্ষিক বিত্তৰ এটা উৎস উল্লেখ কৰা।

(h) Mention one principle of timetable construction.

সময়সূচী সংগঠনৰ এটা নীতি উল্লেখ কৰা।

(i) _____ is also known as strategic planning. ( Fill in the blank )

_____ ক কৌশলমূলক পৰিকল্পনা বুলিও জনা যায়।

( খালী ঠাঁই পূৰণ কৰা )

(j) The IQ of a gifted child is 120–140. ( Write True or False )

প্ৰতিভাশালী শিশুৰ বুদ্ধ্যংকৰ পৰিমাণ ১২০–১৪০।

( সঁচা নে মিছা লিখা )

2. Write very short answers of the following : 2×5=10

তলৰ প্ৰশ্নসমূহৰ অতি চমুকৈ উত্তৰ দিয়া :

(a) Mention two principles of educational management.

শৈক্ষিক ব্যৱস্থাপনাৰ দুটা নীতি উল্লেখ কৰা।

(b) Mention any two major roles of Educational Finance Committee.

শৈক্ষিক বিত্ত কমিটিৰ যি কোনো দুটা মুখ্য ভূমিকা উল্লেখ কৰা।

(c) Differentiate between autocratic and democratic educational management.

স্বৈৰাচাৰী শৈক্ষিক ব্যৱস্থাপনা আৰু গণতান্ত্ৰিক শৈক্ষিক ব্যৱস্থাপনাৰ মাজৰ পাৰ্থক্য লিখা।

(d) Mention any two important roles of the library as resource of school.

বিদ্যালয়ৰ সম্পদ স্বৰূপে পুথিভঁৰালৰ যি কোনো দুটা ভূমিকা উল্লেখ কৰা।

(e) Write two importance of co-curricular activities.

সহ-পাঠ্যক্ৰমিক কাৰ্যসূচীৰ দুটা গুৰুত্ব লিখা।

3. Answer any *four* from the following questions : 5×4=20

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Write a short note on SWOT analysis.

SWOT বিশ্লেষণৰ ওপৰত এটি চমু টোকা লিখা।

(b) Elaborate the procedure of institutional planning.

প্ৰাতিষ্ঠানিক পৰিকল্পনাৰ বিষয়ে বিস্তৃতভাৱে লিখা।

(c) Discuss the role of teachers in classroom management.

শ্ৰেণীকোঠা ব্যৱস্থাপনাত শিক্ষকৰ ভূমিকাৰ বিষয়ে আলোচনা কৰা।

(d) Describe the types of educational planning.

শৈক্ষিক পৰিকল্পনাৰ প্ৰকাৰবোৰ বৰ্ণনা কৰা।

(e) How will you manage the material resources of an educational institution?

এখন শিক্ষানুষ্ঠানৰ বৈষয়িক সম্পদবোৰ কেনেকৈ ব্যৱস্থাপিত কৰিবা?

(f) Write a short note on UGC.

UGCৰ বিষয়ে এটি চমু টোকা লিখা।

**4.** What do you mean by educational finance? Discuss its nature and scope. 2+(4+4)=10

শৈক্ষিক বিত্ত বুলিলে কি বুজা? ইয়াৰ প্ৰকৃতি আৰু পৰিসৰ আলোচনা কৰা।

*Or / অথবা*

What are the components of budget? Discuss about the process of preparing institutional budget. 4+6=10

বাজেটৰ উপাদানবোৰ কি কি? আনুষ্ঠানিক বাজেট প্ৰস্তুতকৰণ প্ৰক্ৰিয়াৰ বিষয়ে আলোচনা কৰা।

**5.** What are the different types of educational management? Elaborate the functions of educational management. 4+6=10

শৈক্ষিক ব্যৱস্থাপনাৰ বিভিন্ন প্ৰকাৰসমূহ কি? শৈক্ষিক ব্যৱস্থাপনাৰ কাৰ্যাৱলী বহলাই লিখা।

*Or* / অথবা

What are the problems of educational planning? How can you solve the problems of educational planning? 5+5=10

শৈক্ষিক পৰিকল্পনাৰ সমস্যাসমূহ কি কি? এই সমস্যাসমূহৰ সমাধান কেনেকৈ কৰিবা?

**6.** As a headmaster of an educational institution, how will you manage the human resources? 10

এখন শিক্ষানুষ্ঠানৰ প্ৰধান শিক্ষক হিচাপে ইয়াৰ মানৱ সম্পদবোৰ কেনেকৈ ব্যৱস্থাপিত কৰিবা?

*Or* / অথবা

Discuss about the management of the financial resources of an educational institution.

এখন শিক্ষানুষ্ঠানৰ বিত্তীয় সম্পদবোৰৰ ব্যৱস্থাপনাৰ বিষয়ে আলোচনা কৰা।

7. Enumerate the principles of organizing co-curricular activities. Discuss about the role of the Principal in distributing the responsibility of co-curricular activities among his staff members. 5+5=10

সহ-পাঠ্যক্ৰমিক কাৰ্যসূচীৰ সংগঠনৰ নীতিসমূহ বৰ্ণনা কৰা। সহ-পাঠ্যক্ৰমিক কাৰ্যসূচীৰ দায়িত্ব কৰ্মচাৰীসকলক বিতৰণৰ ক্ষেত্ৰত অধ্যক্ষৰ ভূমিকাৰ বিষয়ে আলোচনা কৰা।

*Or / অথবা*

As a headmaster of secondary school, what principles will you bear in mind for the optimum utilization of resources in the school? Discuss. 10

মাধ্যমিক শিক্ষানুষ্ঠানৰ প্ৰধান শিক্ষক হিচাপে তুমি কোনবোৰ নীতি মনত ৰাখি বিদ্যালয়ৰ সম্পদবোৰৰ সৰ্বোত্তম ব্যৱহাৰ কৰিবা? আলোচনা কৰা।

## OPTION—D

Paper : EDU–RE–6046

**( Women and Society )**

1. Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নিৰ্দেশানুযায়ী উত্তৰ দিয়া :

(a) Who was the exponent of the Chipko Movement?

চিপকো আন্দোলনৰ পৃষ্ঠপোষক কোন আছিল ?

(b) What is the main provision of Article 39 (A) of the Indian Constitution?

ভাৰতীয় সংবিধানৰ 39 (A) অনুচ্ছেদৰ দ্বাৰা আগবঢ়োৱা মুখ্য ব্যৱস্থাটো কি ?

(c) Write the full form of 'KGBV'.

'KGBV'ৰ সম্পূৰ্ণ ৰূপটো লিখা ।

(d) What is women entrepreneurship?

মহিলা উদ্যমিতা কি ?

(e) When is International Women's Day celebrated?

আন্তঃৰাষ্ট্ৰীয় মহিলা দিৱস কোন তাৰিখে পালন কৰা হয় ?

*(f)* The Prohibition of Sati Act was passed in the year _____.

( Fill in the blank )

Prohibition of Sati Act _____ চনত পাছ হৈছিল।

( খালী ঠাই পূৰণ কৰা )

*(g)* "Education of a boy is education of one person but education of a girl is the education of the entire family." Who said this?

"এজন ল'ৰাক শিক্ষাদান কৰাৰ অৰ্থ এজন ব্যক্তিক শিক্ষিত কৰা কিন্তু এজনী ছোৱালীক শিক্ষাদান কৰা মানে পৰিয়াল এটাক শিক্ষিত কৰা।" কথাষাৰ কোনে কৈছিল?

*(h)* Name the first woman pilot of India.

প্ৰথম ভাৰতীয় মহিলা পাইলটগৰাকীৰ নাম লিখা।

*(i)* In which year was the Hindu Succession Act first enacted?

কোন চনত প্ৰথমবাৰৰ বাবে হিন্দু উত্তৰাধিকাৰী আইনখন প্ৰণয়ন কৰা হৈছিল?

*(j)* Write the full form of RMSA.

RMSAৰ সম্পূৰ্ণ ৰূপটো লিখা।

2. Answer the following questions in brief : 2×5=10

তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া :

(a) Mention any two types of health problem related to women.

মহিলাসকলৰ লগত জড়িত যি কোনো দুটা স্বাস্থ্যজনিত সমস্যা উল্লেখ কৰা।

(b) Write the meaning of women empowerment.

মহিলা সবলীকৰণৰ অৰ্থ লিখা।

(c) What is meant by gender discrimination in workplace?

কৰ্মক্ষেত্ৰত লিংগ বৈষম্য বুলিলে কি বুজা?

(d) Write two problems of women entrepreneurship.

মহিলা উদ্যমিতাৰ দুটা সমস্যা লিখা।

(e) What do you mean by joint family?

যৌথ পৰিয়াল বুলিলে কি বুজা?

3. Answer any *four* from the following questions : 5×4=20

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Write five objectives of National Policy for Empowerment of Women, 2001.

মহিলাৰ সবলীকৰণৰ বাবে ৰাষ্ট্ৰীয় নীতি, ২০০১ ৰ পাঁচটা উদ্দেশ্য লিখা।

(b) What should be the teacher's attitude regarding gender discrimination?

লিংগ বৈষম্যৰ দিশত শিক্ষকৰ মনোভাব কেনে হোৱা উচিত?

(c) Write a short note on peer culture.

সমনীয়া সংস্কৃতিৰ বিষয়ে এটা চমু টোকা লিখা।

(d) Write about the role of education in women empowerment.

মহিলা সবলীকৰণৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকাৰ বিষয়ে লিখা।

(e) Write about family as a factor of influencing gender roles in the society.

সমাজত লিংগ ভূমিকা প্ৰভাৱিত কৰাৰ ক্ষেত্ৰত পৰিয়ালক এটা কাৰক হিচাপে লিখা।

(f) Explain the role of women as peace-builder.

শান্তিনিৰ্মাতাৰূপে মহিলাৰ ভূমিকা ব্যাখ্যা কৰা।

**4.** Answer the following questions : 10×4=40

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) What do you think about the changing role of women in India? Give your own opinion.

ভাৰতত মহিলাৰ পৰিৱৰ্তিত ভূমিকাৰ বিষয়ে তুমি কি ভাবা? তোমাৰ নিজ মতামত আগবঢ়োৱা।

*Or / অথবা*

Discuss about the women's movement in post-colonial period.

ব্ৰিটিছ্ শাসনকালৰ পৰৱৰ্তী সময়ৰ মহিলা আন্দোলনৰ বিষয়ে আলোচনা কৰা।

*(b)* Write about the targets and strategies of National Education Policy, 1986 on women education.

মহিলা শিক্ষাৰ ওপৰত জাতীয় শিক্ষানীতি, ১৯৮৬ৰ লক্ষ্য আৰু কৌশলসমূহৰ বিষয়ে লিখা।

*Or / অথবা*

Discuss the constitutional provisions and women's rights.

সাংবিধানিক ব্যৱস্থা আৰু মহিলাৰ অধিকাৰসমূহৰ বিষয়ে আলোচনা কৰা।

*(c)* Discuss the need and importance of women empowerment.

মহিলা সবলীকৰণৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব আলোচনা কৰা।

*Or / অথবা*

Discuss the main barriers of women empowerment.

মহিলা সবলীকৰণৰ প্ৰধান বাধাবোৰ আলোচনা কৰা।

*(d)* Explain the factors responsible for change in family structure of our society.

আমাৰ সমাজৰ পৰিয়ালৰ গাঁথনি পৰিৱৰ্তনৰ ওপৰত প্ৰভাৱ পেলোৱা কাৰকসমূহ বৰ্ণনা কৰা।

*Or / অথবা*

Explain various aspects related to new gender roles.

লিংগৰ নতুন ভূমিকাৰ লগত জড়িত বিভিন্ন দিশসমূহ বৰ্ণনা কৰা।

★★★